বৰ্তমান সময়ত দলে-বলে ৰাজনৈতিক দলত যোগদানৰ আনুষ্ঠানিকতা সহজলভ্য দৃশ্য আৰু দল বাগৰা বহুৱালী ফেশ্বন য'তে-ত'তে সুলভ। ক্ষমতা লাভৰ ৰাগিত কৰা নাটকবাজিত আচলতে কোনো নতুনত্ব নাই। পৰম্পৰাগত শাসন ব্যৱস্থাত দল সলনি কৰা নেতাৰ ৰাজনৈতিক জীৱনৰ স্থিতি আৰু শাসন আৰু ক্ষমতা লাভৰ ইতিহাসৰ বিষয়ে অধ্যয়ন কৰাৰ অধিকাৰ জনতাৰ বাবে প্ৰয়োজন যদিও সমূলঞ্চে নাইকিয়া হৈছে।...

# পৰম্পৰাগত ৰাজনীতি

## আৰু নতুন প্ৰজন্মৰ ডিজিটেল ঐক্যবদ্ধ চেতনা

**কুশল কুমাৰ দাস**




দেশৰ সকলো নাগৰিক প্ৰত্যক্ষভাৱে ৰাজনীতিৰ লগত জড়িত হোৱাটো বাধ্যতামূলক নহয়। ডিজিটেল যুগত নতুন প্ৰজন্মৰ ৰাজনৈতিক চেতনা পৰিৱৰ্তন হ'বলৈ ধৰিছে। ক্ৰমান্বয়ে পৰম্পৰাগত ৰাজনীতিৰ কাৰ্য-কুশলতাৰ প্ৰতি আস্থা কমি যোৱাত নতুন প্ৰজন্মৰ মাজত নতুন ৰাজনৈতিক সজাগতা গা কৰি উঠা পৰিলক্ষিত হৈছে। যাক আমি আধুনিক ৰাজনীতি বুলি ক'ব পাৰোঁ। দ্বিতীয় বিশ্ব যুদ্ধৰ আগলৈকে প্ৰচলিত পৰম্পৰাগত ৰাজনীতিৰ বিশুদ্ধ ধাৰণা বৰ্তাই ৰাখিবলৈ চৰকাৰ তথা ৰাজনৈতিক দলবোৰে ক্ষমতা কুক্ষিগত কৰি সাধাৰণ জনতাক প্ৰত্যক্ষ ৰাজনীতিৰ মাজলৈ আনিবলৈ নানান কৌশল অৱলম্বন কৰা নিয়মত পৰিণত হ'ল। কেৱল ৰাজনীতিৰ অংশীদাৰ হৈ নিজৰ অধিকাৰ বন্ধকত ৰাখিলে জনতাৰ সৰ্বস্তৰৰ প্ৰগতি হোৱা নুবুজায়। পৰম্পৰাগত ৰাজনীতিয়ে কিন্তু ৰাইজক পাকে-প্ৰকাৰে ক্ষমতা সুনিশ্চিত কৰি ৰাখিবলৈ প্ৰত্যক্ষভাৱে জড়িত কৰিব বিচাৰে। কাৰণ নেতাই বিচাৰে ৰাইজৰ সমৰ্থন, সেয়ে দলবোৰে ন-ন কৌশলেৰে সাধাৰণ জনতাক লগত ৰাখিবলৈ কূট-কৌশল ৰচনা কৰে। বৰ্তমান সময়ত দলে-বলে ৰাজনৈতিক দলত যোগদানৰ আনুষ্ঠানিকতা সহজলভ্য দৃশ্য আৰু দল বাগৰা বহুৱালি ফেশ্বন য'তে-ত'তে সুলভ। ক্ষমতা লাভৰ ৰাগিত কৰা নাটকবাজিত আচলতে কোনো নতুনত্ব নাই। পৰম্পৰাগত শাসন ব্যৱস্থাত দল সলনি কৰা নেতাৰ ৰাজনৈতিক জীৱনৰ স্থিতি আৰু শাসন আৰু ক্ষমতা লাভৰ ইতিহাসৰ বিষয়ে অধ্যয়ন কৰাৰ অধিকাৰ জনতাৰ বাবে প্ৰয়োজন যদিও সমূলঞ্চে নাইকিয়া হৈছে। কাৰণ জনতাক মদমত্ত কৰি ৰখাটো পৰম্পৰাগত ৰাজনীতিত এবাৰ নোৱৰা ব্যৱস্থা হৈ পৰিছে। ক্ষমতাৰ বাঘজৰী খুলি দি আত্মঘাতী হ'বলৈ নিবিচৰা অভিপ্ৰায় হৈছে পৰম্পৰাগত ৰাজনীতিৰ পৰিকাঠামো। বৰ্তমান সময় সলনি হৈছে; নতুন প্ৰজন্মৰ এখন ডিজিটেল পৃথিৱী গঢ় লৈ উঠিছে। নতুন প্ৰজন্মৰ মাজত পৰম্পৰাগত ৰাজনীতিৰ প্ৰতি ঘৃণাৰ ভাৱে ছানি ধৰিছে। আকৰ্ষিত হৈছে ৰাজনৈতিক ক্ষেত্ৰৰ সৈতে শক্তিশালী কৰাৰ স্বাৰ্থত বিভিন্ন উপঢৌকনেৰে তৃণমূলৰ পৰা সকলো শ্ৰেণীৰ লোকক প্ৰত্যক্ষ ৰাজনীতিত চামিল কৰাৰ নতুন ফৰ্মূলা ৰাইজৰ মাজলৈ উলিয়াই দিছে। এফালে নতুন প্ৰজন্মই ৰাজনীতিৰ সূত্ৰ সলনি কৰি দেশৰ প্ৰগতিত আত্মনিয়োগ হ'বলৈ মনোনিৱেশ কৰা, আনফালে শাসক-বিৰোধীৰ উভয়ে লোভনীয় প্ৰস্তাৱ সন্মুখত ৰাখি সকলো নাগৰিকক প্ৰত্যক্ষ ৰাজনীতিত জড়িত কৰাৰ প্ৰতিযোগিতা। আধুনিক ৰাজনীতিৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল পৰম্পৰাগত ৰাজনীতি দেশৰ পৰা উৎখাত কৰা। দুই প্ৰকাৰৰ ৰাজনীতিৰ সূত্ৰ দেশৰ বাবে কেতিয়াও মংগল হ'ব নোৱাৰে। পৰম্পৰাগত ৰাজনীতিৰ সৈতে ডিজিটেল যুগৰ ৰাজনীতিৰ সংঘাত বৃদ্ধি পাবলৈ ধৰাৰ সামান্তৰালভাৱে সাধাৰণ মানুহৰ মুখত অসহায় ৰূপত শুনিবলৈ পোৱা যায়— যিহে দিন পৰিছে, ক্ষমতাশালী লোক লগত নাথাকিলে বিপদৰ পৰা উদ্ধাৰ হোৱা সম্ভৱ নহয়; গতিকে শক্তিশালী দল কিম্বা নেতাৰ সমৰ্থক হ'লে বহু বিপদৰ পৰা ৰক্ষা পাব পাৰি। তেনে শক্তিৰ আস্থাভাজন হৈ নাথাকিলে যিকোনো বিপদত পৰিলে ন্যায় ব্যৱস্থাই আমাক উদ্ধাৰ কৰিব নোৱাৰে, বৰঞ্চ অধিক বেয়াৰ ফালেহে লৈ যাব পাৰে। নতুবা সঁচা-মিছা আইনৰ মেৰপেছত সোমাই ঘটিয়ে ঘটিয়ে পান খাব লগা সততা আৰু যুক্তিনিৰ্ভৰশীল মনেৰে জীৱন নিৰ্বাহ কৰিব বিচাৰে। মন কৰিবলগীয়া বিশুদ্ধ স্বাধীন ভাৱাপন্ন নাগৰিক মানে অকলশৰীয়া নিৰাপত্তাহীন জীৱন-যাপন। নিৰ্ভীক জীৱনৰ দুটা অৰ্থ— এটা হৈছে ক্ষমতাশালী ডাঙৰ মানুহ তথা শাসনকৰ্তা নিজৰ লগত আছে, গতিকে নিষ্কণ্টক। যিকোনো বিপদত সমস্যা লাঘৱ হ'ব পাৰে; যিকোনো বিপদৰ বাবে শ'লঠেকত পৰিলে ওপৰ মহলৰ সহায়ত ৰক্ষা পৰাৰ এশ শতাংশ গেৰাণ্টি থাকিব। গণতন্ত্ৰত প্ৰতিজন নাগৰিক ওপৰ মহলৰ ওপৰত নিৰ্ভশীলতা বাঞ্ছনীয় নে? সকলোৰে বাবে এনে কথা সম্ভৱ জানো? এনে ৰাজনৈতিক নিৰ্ভৰশীলতা আৰু বাধ্যবাধকতা বৰ্তমানৰ পৰম্পৰাগত ৰাজনীতিৰ নতুন স্বৰূপ হ'বলৈ ধৰিছে। সকলো প্ৰত্যাহ্বানৰ ৰাস্তা মসৃণ নহ'লে বিপদৰ পৰা ৰক্ষা পোৱাৰ যোগসূত্ৰ বিচাৰি পোৱা কঠিন। যিকোনো চৰকাৰ শক্তিশালী লোকৰ আঙুলিৰ ঠাৰত পৰিচালিত হয় বাবে সাধাৰণ স্বাভিমানী নাগৰিকৰ প্ৰয়োজন সম্পূৰ্ণকৈ সিদ্ধ নহয়। মুঠতে সকলো ব্যৱস্থাত ওপৰবালাৰ (ভগৱান নহয়, ক্ষমতাবান লোক) আশীৰ্বাদপুষ্ট হৈ থাকিলে অস্বস্তিকৰ জীৱনৰ মুখামুখি হ'ব নালাগে। সেয়ে আজিৰ যুগৰ জনতা চৰকাৰমুখী ৰাজনীতিৰ অংশীদাৰ হ'বলৈ বাধ্য। কোনো লোক সাংঘাতিক বিপদত পৰিলে উদ্ধাৰ বিয়াত নামাতিলে আৰু ৰাপেকৰ বছৰেকীয়া শ্ৰাদ্ধতো নমতাৰ ফল ভোগ কৰিছে। আজিৰ জনতাই দুটা পদ্ধতিৰ এটাৰ আশ্ৰয় ল'বই লাগিব। প্ৰত্যক্ষ ৰাজনীতিৰ খেলপথাৰত সময় উলিয়াই ৰাৰ্মআপ কৰিলে জীৱন ৰক্ষা, নহ'লে যিকোনো বিপদত পৰিলে হ'ব পাৰে যমকাল। গণতন্ত্ৰত পৰোক্ষভাৱেহে ৰাজনীতিৰ সৈতে জড়িত হ'ব লাগে, কিন্তু এতিয়া সেই বামো নাই অযোধ্যাও নাই; কিন্তু বামে শাসন কৰা দেশত গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰ পাছত পুনৰ বিপৰীতমুখী বতাহ বলিবলৈ আৰম্ভ কৰিছে। অকল ভাৰতৰ মহাদেশৰ উপৰি পৃথিৱীৰ বিভিন্ন দেশত তেনে শাসনে মূৰ দাঙি উঠিছে। অৱশ্যে সমান্তৰালভাৱে গোটেই পৃথিৱীতে নতুন প্ৰজন্মৰ ৰাজনৈতিক চেতনা শক্তিশালী ৰূপত গা কৰি উঠিছে। ভাৰতবৰ্ষত ১৯৯৭ চনৰ পৰা ২০১২ চনত প্ৰায় ৩৭০ মিলিয়ন ভোটাৰ ডিজিটেলী পোহৰলৈ আহিছিল। ১৪—২৯ বছৰ বয়সৰ নতুবা অধিকতম ৪০ বছৰৰ যুৱক-যুৱতীয়ে চাকৰি, জলবায়ু পৰিৱৰ্তন আদি নতুন বিষয়বোৰত সামাজিক মাধ্যমৰ যোগেদি প্ৰায়ে আগভাগ লবলৈ আৰম্ভ কৰে। এনে যুৱশক্তিয়ে শিক্ষা, দক্ষতা বিকাশ, সামাজিক সচেতনতা, মানসিক উৎকৰ্ষ সাধন, স্বাস্থ্য, লিংগ সমতা আৰু বহনক্ষম উন্নয়ন আদিক প্ৰাধান্য দিয়ে। তেওঁলোকে সুস্থ গণতন্ত্ৰ, আন্তঃগাঁথনি, জনপ্ৰতিনিধিৰ দায়বদ্ধতা তথা জবাবদিহি হোৱাৰ বাধ্যবাধকতা আদিক গুৰুত্বসহকাৰে লয়। নতুন প্ৰজন্মৰ বাবে প্ৰধান ঘৃণাৰ বিষয় হৈছে পৰম্পৰাগত ৰাজনৈতিক ব্যৱস্থা। বিহাৰ, উত্তৰ প্ৰদেশ, ৰাজস্থান, মধ্য প্ৰদেশত শতকৰা হাৰত অধিক পৰিৱৰ্তন বিচৰা যুৱক-যুৱতী আছে। সততে সাহসী, অনুসন্ধিৎসু আৰু গভীৰভাৱে ইণ্টাৰনেট ব্যৱস্থাৰ সৈতে জড়িত হৈ থাকে। তেওঁলোকে সততা আৰু বিশুদ্ধতাক প্ৰাধান্য দিয়ে আৰু সকলো নতুনত্বক অগ্ৰাধিকাৰ দিব বিচাৰে। ভাৰতবৰ্ষত প্ৰায় ত্ৰিশ শতাংশ

বৰ্তমান সময়ত ৰাজনীতিৰ সৈতে পৰোক্ষ সম্পৰ্কৰে জীয়াই থকা জটিল হৈ পৰিছে। নতুন প্ৰজন্মই লেতেৰা ৰাজনীতিক ওফৰাই পেলাবলৈ কুণ্ঠাবোধ নকৰে। বিভিন্ন সময়ত লঘু-লাঞ্ছনা, চৰকাৰী আঁচনি তথা সেৱা লাভৰ পৰা বঞ্চিত হৈ থকাসকল প্ৰত্যক্ষ ৰাজনীতিৰ বাহিৰত থকা লোক। ভোটবেংকৰ গইনা লৈ জনতাক সন্তুষ্ট কৰি নিৰ্বাচনী ৰণ জিকাৰ পৰম্পৰাক নতুন প্ৰজন্মই নিশ্চয় ভাল দৃষ্টিৰে নাচায়। কাৰণ আৰু উদ্দেশ্য এটাই— কোনো নাগৰিক প্ৰত্যক্ষ ৰাজনীতিৰ পৰা আঁতৰি থাকিব নোৱাৰে। চৰকাৰী চাকৰিয়াল হ'লেও ব্যক্তিগত আদৰ্শ-নীতি, নিজা জীৱনশৈলী, ধ্যান-ধাৰণা, চিন্তা-ভাবনা, কোনো সৃষ্টিশীল কৰ্ম আদিয়ে স্বীকৃতি পাবলৈ হ'লে প্ৰত্যক্ষ ৰাজনীতিৰ লগত জড়িত হ'বই লাগিব; নহ'লে কোনো মূল্য নাই। যদি নিজৰ ব্যক্তিগত স্বাভিমানক মূল্য দিব বিচাৰে, তেনেহ'লে নিবোকা-চামোন হৈ জীয়াই থাকিব লাগিব। চৰকাৰী শাসন ব্যৱস্থাই সকলো মানুহক প্ৰত্যক্ষ ৰাজনীতিৰ লগত জড়িত হোৱাটো বাধ্যতামূলক কৰিছে। সেয়া চাকৰি বা ব্যৱসায় যিয়েই নকৰক; ৰাজনীতিৰ লগত জড়িত নহ'লে নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হোৱাটো নিশ্চিত। ৰাজনীতিৰ পথাৰত এনে অৱস্থা আহি পৰাৰ মূল কাৰণ দেশৰ শাসন ব্যৱস্থাৰ লগত স্বতন্ত্ৰ প্ৰভুৰ দ্বাৰা নিয়ন্ত্ৰিত বাধ্যতামূলক নীতি আৰু উলংঘন কৰিব নোৱৰা নিৰ্দেশ। চৰকাৰতন্ত্ৰ বা গণতন্ত্ৰৰ নামত প্ৰজাক সুখ দিয়াৰ ব্যৱস্থা কৰা হ'ব, কিন্তু ব্যক্তি স্বাতন্ত্ৰ্যৰ অভিব্যক্তিক ঢাকি ৰাখিব লাগিব। কেৱল ব্যক্তিৰ স্বাভিমান, মুকলি মন আৰু ক্ষমতা চৰকাৰৰ হাতত বন্ধকত দিয়া নীতি হৈ পৰিল। ন্যায় ব্যৱস্থা, নিৰ্বাচন ব্যৱস্থা, অৰ্থনীতি, সংস্কৃতি, প্ৰতিৰক্ষা, ধৰ্ম-কৰ্ম-খাদ্যাভাস, ৰাজনীতি আদিত গণতান্ত্ৰিক প্ৰমূল্যবোধ কুক্ষিগত কৰি মানুহক ৰাজনীতিৰ

জনতাক ৰাজনৈতিক ক্ষমতাৰ মৰেল বুলি হাতৰ মুঠিত ৰখাৰ বাবে যৎপৰোনাস্তি চেষ্টা নতুবা বাধ্য হ'বলৈ হেঁচা প্ৰয়োগ কৰা হয়। জনতাক নিজৰ ফলীয়া কৰিবলৈ, নকৰিবলগীয়া বহুৱালি চূড়ান্ত পৰ্যায়লৈ নিবলৈ কুণ্ঠাবোধ নকৰে। কাৰণ ৰাইজে মাথোঁ এদিনৰ বাবে জনপ্ৰতিনিধিক নিযুক্ত কৰিবলৈ ক্ষমতা পাব। তাৰ পাছত সকলো ক্ষমতা চৰকাৰৰ হাতলৈ যাব। চৰকাৰৰ মতে উঠা-বহা কৰিব লাগিব। ইয়াত বিধি-পথালি দিব নোৱাৰিব। বৰ্তমান যুগত সাধাৰণ নাগৰিকৰ ব্যক্তি স্বাতন্ত্ৰ্যৰ কোনো মূল্য নাই; মূল্য পাব লাগিলে চৰকাৰৰ আশীৰ্বাদপুষ্ট হ'বই লাগিব। এনে শাসন ব্যৱস্থাৰ সন্মুখত ডাঙৰ প্ৰত্যাহ্বান হিচাপে ঐকেশ শতিকাত আধুনিক ৰাজনীতি বুলি পৰিচিত নতুন প্ৰজন্মৰ যুৱক-যুৱতীসকল ডিজিটেলী সক্ৰিয় হৈ আগবাঢ়ি আহিছে। অৰ্থাৎ চৰকাৰী ক্ষমতাপ্ৰাপ্তসকলে শক্তিধৰ আৰু শক্তিক্ষয়প্ৰাপ্ত দুয়ো শ্ৰেণীক যিকোনো প্ৰকাৰে নিজৰ হাতৰ মুঠিত ৰাখিব বিচাৰে। ইয়াৰ বাবে সৰ্বোচ্চ শক্তি প্ৰয়োগ কৰি হ'লেও সকলো লোকক ৰাজনীতিৰ পৌষ্যপুত্ৰ কৰি ৰাখিব। কোনো লোক ৰাজনৈতিক কাৰ্যকলাপৰ লগত জড়িত হোৱাৰ ইচ্ছা নাথাকিলেও যিকোনো চৰকাৰী অনুষ্ঠানত ভাগ লবই লাগিব; কাৰণ প্ৰত্যক্ষভাৱে বিভিন্ন আঁচনিৰ দ্বাৰা সকলোকে ৰাজনীতিৰ অংশীদাৰ কৰা হৈছে। অন্যথা শাস্তি অনিবাৰ্য। যোগ্যতাৰ ভিত্তিত পাব লগা বিশেষ সন্মানো কৰ্তন হ'ব পাৰে নতুবা কোনো কালে সামাজিক-সাংস্কৃতিক স্বীকৃতি নোপোৱাকৈ জীৱন পাৰ কৰিব লাগিব। অনাগত দিনত পৰম্পৰাগত ৰাজনীতি আৰু ডিজিটেলী সক্ৰিয় হোৱা নতুন প্ৰজন্মৰ আধুনিক ৰাজনীতিয়ে গণতন্ত্ৰৰ স্বৰূপ কি পৰ্যায়লৈ নিয়ে, সেয়া সময়ত গম পোৱা যাব।

■ ফোনঃ ৯১০১১-২২৬৩৮

Scanned with OKEN Scanner